# 1 নো মাল মেকুৰী বিচাৰি!




## গাওঁ আহা

















মোৰ ওচৰলৈ আহা মোৰ
নোমাল মেকুৰীটো!


তোমাক মোৰ জগটোৰ **তলখন**
আঁচুৰি থকা দেখিছিলো।

তোমাক মোৰ গাড়ীখনৰ ওপৰত
খেলি থকা দেখিছিলো।

মোৰ নোমাল মেকুৰীটো **মোৰ**
ওচৰলৈ আহা!







মোৰ নোমাল মেকুৰীটো মোৰ
ওচৰলৈ আহা !
তোমাক মোৰ টুপিটোৰ **ওপৰত**
জপিয়াই থকা দেখিছিলো।

তোমাক পাটীখনৰ **তলত** লুকাই
থকা দেখিছিলো,
এইয়া মোৰ নোমাল মেকুৰীটো!

কবিতাটো জোৰেৰে পঢ়ক। শিশুসকলক অংগী ভংগীৰে আবৃত্তি কৰিবলৈ কওক। ছাত্ৰ ছাত্ৰী সকলে ছবিবোৰ চাব পাৰে আৰু তেওঁলোকে কি দেখিছে কব আৰু তলত, ওপৰত, মাজত থকা বস্তুবোৰৰ বিষয়ে আলোচনা কৰিবষ



© NCERT not to be republished

কবিতাটোত থকা ছবিবোৰ চোৱা আৰু শুদ্ধ শব্দবোৰ গোল কৰা।

ক. ৰঙা বলটো বিচনাৰ **ওপৰত/ বিচনাৰ তলত/ বিচনাত** আছে ।

খ. মেকুৰীটো গাড়ীৰ **ভিতৰত/ গাড়ীৰ বাহিৰত/ গাড়ীৰ** ওপৰত আছে।

গ. মানুহজনে গছৰ **তলত/ভিতৰত/গছৰ** ওপৰত শুই আছে।

গ. মানুহজনে গছৰ **তলত/ভিতৰত/গছৰ ওপৰত** শুই আছে।



## ভাবি চোৱা আৰু উত্তৰ দিয়া

ক. তুমি তোমাৰ জোতাযোৰ ক'ত থোৱা ? ৰুমৰ /বাহিৰত নে ভিতৰত?

খ. তুমি জাৱৰ ক'ত পেলোৱা ? ডাষ্টবিনৰ/ ভিতৰত নে বাহিৰত ?



## খেলো আহা- বস্তুবোৰ বিচাৰি ওলিওৱা

লৰা-ছোৱালীবোৰ দুটা দলত ভাগ হৈ লব। এটা দলে কিছুমান বস্তু যেনে- চক পেঞ্চিল, ৰঙা বল আৰু এনে ধৰণৰ কিছুমান বস্তু লুকুৱাব আৰু আনটো দলক বস্তুবোৰ বিচাৰিবলৈ কব। লৰা-ছোৱালীবোৰে কিছুমান মৌখিক নিৰ্দেশনা দিব পাৰে যেনে- ভিতৰত/ বাহিৰত, ওচৰত/ দূৰত, ওপৰত/ তলত ইত্যাদি।

উদাহৰণ:

- এটা বগা বস্তু বিচাৰি ওলিওৱা যিটো **বৰ্ডৰ** ওচৰত আৰু **টেবুলৰ** তলত লুকোৱাই থোৱা হৈছে।
- এটা ৰঙা বস্তু বিচাৰি ওলিওৱা যিটো শ্ৰেণীকোঠাৰ **বাহিৰত** আৰু **গছৰ** তলত আছে।

© NCERT not to be republished



## খেলো আহা- বলটো দলিওৱা!


প্ৰত্যেকজন ছাত্ৰ ছাত্ৰীয়ে বলটো এটা খৰাহীৰ ভিতৰলৈ লক্ষ্য কৰি দলিয়াব। যেতিয়া বলটো ভিতৰত পৰিব তেতিয়া বাকী লৰা-ছোৱালীবোৰে **ভিতৰ** বুলি চিঞৰিব আৰু যেতিয়া বাহিৰত পৰিব **তেতিয়া** বাহিৰ বুলি চিঞৰিব।






## কৰি চাওঁ আহা

ক. ভিতৰত ✓ থকা বস্তুবোৰত ৰাইট চিন দিয়া






ক্ৰিয়া-কলাপবোৰ এনেকৈ আয়োজন কৰিব যাতে লৰা-ছোৱালীবোৰৰ মাজত কোনো সামৰ্থ বিচাৰ নকৰি সকলোৱে ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰে। উদাহৰণ স্বৰূপে বলটোত জুনুকা বান্ধি লব পাৰে আৰু খৰাহীটোৰ ভিতৰফালটো বাহিৰফালতকৈ বেলেগ কৰিব লাগে যাতে বলটো খৰাহীৰ ভিতৰত পৰিলে বেলেগ ধৰণৰ শব্দ হয়।



© NCERT not to be republished

খ. বাহিৰত থকা বস্তুবোৰত ৰাইট চিন ✓ দিয়া।





গ. চবিবোৰ চোৱা আৰু শুদ্ধ শব্দবোৰত ৰাইট চিন ✓ দিয়া।

i. লৰাজন গছজোপাৰ **তলত**/ **গছজো** পাত বহি আছে।

ii. চৰাইবোৰ গছজো **পাত**/ **গছজো** পাৰ তলত আছে।



ঘ. নাকৰ তলত এটা হাঁহি বনোৱা আৰু চকুৰ ওপৰত চেলাওৰি বনোওৱা।



© NCERT not to be republished

ঙ. আমাৰ জাতীয় পতাকাখনলৈ চোৱা যাক আমি তিৰংগা বুলিও জানো। তাত কিমানটা ৰং আছে ?

শুদ্ধ উত্তৰত ৰাইট চিন ✓ দিয়া।

ক. কোনটো ৰং জাতীয় **পতাকাৰ** একেবাৰে ওপৰত আছে ?

**বগা**/ **গেৰুৱা**/ **সেউজীয়া**

খ. তিৰংগাৰ ৰঙা ৰঙৰ **তলত** কোনটো ৰং আছে ?

**গুলপীয়া**/ **গেৰুৱা**/ **সেউজীয়া**

গ. তিৰংগা কোনটো ৰং সেউজীয়া ৰঙৰ **ওপৰত** আছে ?

**বগা**/ **গেৰুৱা**/ **হালধীয়া**

ঘ. জাতীয় পতাকাৰ অশোক চক্রটো ক'ত আছে ?

**এটা চুকত**/ **মাজত**/ **কাষত**




আমি জাতীয় পতাকা কিয় আৰু ক'ত উত্তোলন কৰো সেই বিষয়ে ছাত্ৰ ছাত্ৰীৰ লগত আলোচনা কৰক। শিশু সকলক ৰাষ্ট্ৰীয় উৎসৱ সমুহৰ বিষয়ে তেওঁলোকৰ অনুভৱ ব্যক্ত কৰিবলৈ অনুপ্ৰেৰণা যোগাওক। শিশুসকলক নিজৰ জাতীয় পতাকা বনাবলৈ কওক আৰু তিৰংগাৰ সন্মুখত ৰাষ্ট্ৰীয় সংগীত গাবলৈ কওক।

© NCERT not to be republished

## ঝক ঝক ঝক আমাৰ ৰেলগাড়ী চলে!

ঝক! ঝক! ঝক! আমাৰ ৰেলগাড়ী চলে।
পাহাৰৰ ওপৰে তলে।
ঝক! ঝক! ঝক! আমাৰ ৰেলগাড়ী চলে।
মোৰ ডবাৰ আগফালে
মোৰ **ডবাৰ** পাছফালে
ডবাবোৰ **লগ** লাগি
ঝক! ঝক! ঝক! আমাৰ ৰেলগাড়ী চলে
বৰষুণত তিতি তিতি নদীৰ ওপৰে।





© NCERT not to be republished

ক. ইঞ্জিনৰ পাছফালে কিমানটা ডবা **আছে**?

খ. ৰঙা ডবাৰ **আগফালে** কেইটা ডবা আছে?

গ. ৰঙা **ডবাৰ** পাছফালে থকা ডবাবোৰত **কমলা** ৰং দিয়া।

ঘ. ৰঙা ডবাৰ **আগফালে** **নীলা** ৰং দিয়া।

শিশুসকলক তেওঁলোকৰ ৰেল যাত্ৰাৰ অভিজ্ঞতা সমূহ বৰ্ণনা কৰিবলৈ কওক। যিসকল শিশুৱে ৰেল যাত্ৰা কৰা নাই তেওঁলোকে ৰেল যাত্ৰা সম্পৰ্কে প্ৰশ্ন কৰিব পাৰে। ৰেলগাড়ী কি সেই বিষয়ে আলোচনা কৰিবলৈ দিয়ক। তেওঁলোকক কাগজত ৰেলগাড়ীৰ চবি আঁকিবলৈ কওক নাইবা পেলনীয়া বস্তুৰ জৰিয়তে এখন ৰেলগাড়ী সাজিব পাৰে।



## খেলো আহা

শিশুসকলে এটা পদ্য গাব আৰু ইজনে সিজনৰ কান্ধত ধৰি ৰেলগাড়ী বনাই খেল খেলিব। প্ৰত্যেকেই প্ৰত্যেকৰ আগত আৰু পাছত কোন আছে কৈ যাব।




শেৱালী আৰু ৰোহিতে কিছুমান বস্তুৰ থুপ বনাইছে।





শিশুসকলক গছৰ গুটি, গছৰ পাত, মনি আদিৰে এনে ধৰণৰ ক্ৰিয়া কলাপ কৰিবলৈ দিয়ক।

© NCERT not to be republished

## কৰি চাওঁ আহা

শেৱালীয়ে সকলো বুটাম তিনিটা থুপত ভাগ কৰিলে।



শেৱালীয়ে কিয় এনেকৈ থুপ বনালে ?

শেৱালীয়ে এই বুটামবোৰ ৰং কৰি অন্য ধৰণে থুপ বনাব বিচাৰিছে। তাইক থুপ বনোৱাত সহায় কৰা।

© NCERT not to be republished

## প্ৰকল্প

শিশুসকলক শ্ৰেণীকোঠাত কাপবৰ্ডৰ ব্যৱস্থা কৰিবলৈ কওক। তেওঁলোকক স্থান সম্বন্ধীয় শব্দ যেনে- তলৰ ৰেকত দুটা বস্তু, এটাবস্তু একেবাৰে ওপৰৰ ৰেকত ইত্যাদিবোৰ ব্যৱহাৰ কৰি বস্তুবোৰ থবলৈ কওক।